# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 22-05-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থানৰ বিকানেৰত ২৬ হাজাৰ কোটি ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

২। ভাৰতে পাকিস্তানৰ পৃষ্ঠপোষকতাপ্ৰাপ্ত সন্ত্ৰাসবাদৰ স্বৰূপ উদঙাই দিয়াৰ উদ্দেশ্যে আগ্ৰাসী গোলকীয় অভিযান আৰম্ভ কৰিছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্. জয়শংকৰে কালি ডেনমাৰ্কৰ ৰাজধানী কোপেনহেগেনত দেশখনৰ উদ্যোগ, ব্যৱসায় আৰু বিত্তীয় পৰিক্ৰমা মন্ত্ৰী মৰ্টেন বোট'স্কোভক সাক্ষাৎ কৰে।

৪। ভাৰতৰ কনকে আই এছ এছ এফ জুনিয়ৰ শ্যুটিং বিশ্বকাপত দেশৰ হৈ প্ৰথমটো সোণৰ পদক অৰ্জন কৰিছে।

*আৰু*

৫। মুম্বাই ইণ্ডিয়ানছে ডেলহি কেপিটেলছক পৰাস্ত কৰি আই পি এলৰ প্লে অফ পৰ্যায়ত প্ৰৱেশ কৰা চতুৰ্থ তথা অন্তিমটো দল ৰূপে পৰিগণিত হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থানৰ বিকানেৰত ২৬ হাজাৰ কোটি ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। ইয়াৰ ভিতৰত ভিতৰত ৰে'ল, পথ, শক্তি, জল আৰু নতুন আৰু নবীকৰণযোগ্য শক্তি খণ্ডৰ প্ৰকল্প আছে। এই ভ্ৰমণ কালত প্ৰধানমন্ত্ৰীয়ে বিকানেৰৰ দেশনোকৰ পৰা দেশৰ ১৮ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৮৬ খন জিলাৰ ১০৩টা অমৃত ষ্টেচন মুকলি কৰিব।

প্ৰধানমন্ত্ৰী দেশনোকত উপস্থিত হৈ প্ৰথমে কৰ্ণি মাতা মন্দিৰ দৰ্শন কৰিব। তাৰ পাছত প্ৰধানমন্ত্ৰীয়ে অমৃত ভাৰত আঁচনিৰ অধীনত ন-ৰূপত সজাই তোলা দেশনোক অমৃত ষ্টেচনটো মুকলি কৰিব আৰু বিকানেৰ মুম্বাই এক্সপ্ৰেছ ৰে'লগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে বিকানেৰৰ পালনাত এখন জনসভাতো ভাষণ দিব।

ইপিনে, ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে, যে অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত ন-ৰূপত সজাই তোলাৰ বাবে চিনাক্ত কৰা এজেহাৰ ৩০০টা ৰে'ল ষ্টেচনৰ ভিতৰত প্ৰধানমন্ত্ৰীয়ে আজি ৰাজস্থানৰ পৰা প্ৰথম পৰ্যায়ত ১০৩টা অমৃত ষ্টেচন মুকলি কৰিব। শ্ৰীবৈষ্ণৱে কালি দেশনোক ষ্টেচন পৰিদৰ্শন কৰি কয়, যে ২০২৭ৰ ভিতৰত এনে আৰু ৫০০টা ষ্টেচনৰ কাম সম্পূৰ্ণ কৰা হ'ব।

আমাৰ সংবাদদাতাই জনাইছে যে, নতুনকৈ বিকশাই তোলা অমৃত ষ্টেচনসমূহত দুয়োফালৰ পৰা যাত্ৰী প্ৰৱেশৰ সুবিধা, যাত্ৰীৰ বাবে পদসেঁতু, দিব্যাংগৰ বাবে উপযোগী সা-সুবিধা, বিনামূলীয়া ৱাই ফাইৰ সুবিধাৰ লগতে ষ্টেছনসমূহত শ্বপিংমল আৰু ইণ্টাৰনেট কেফেৰ সুবিধা থাকিব। তদুপৰি নতুনকৈ নিৰ্মাণ কৰা ষ্টেছনসমূহত স্থানীয় সংস্কৃতি প্ৰতিফলিত হোৱাকৈ বিভিন্ন প্ৰতিকৃতি আৰু আলোকচিত্ৰৰ সমাহাৰ ঘটিব।

ooooo

ভাৰতে পাকিস্তানৰ পৃষ্ঠপোষকতাপ্ৰাপ্ত সন্ত্ৰাসবাদৰ স্বৰূপ উদঙাই দিয়াৰ উদ্দেশ্যে আগ্ৰাসী গোলকীয় অভিযান আৰম্ভ কৰিছে। এই অভিযানৰ অধীনত কালি দুটা সৰ্বদলীয় প্ৰতিনিধি দল ৯ খন দেশলৈ ৰাওনা হয়। অপাৰেশ্বন সিন্দূৰ বিষয়ক কূটনৈতিক প্ৰয়াসৰ অংশ হিচাপে জে ডি ইউৰ সাংসদ সঞ্জয় কুমাৰ ঝা নেতৃত্বাধীন এটা সৰ্বদলীয় প্ৰতিনিধি দলে ইণ্ডোনেছিয়া, মালয়েছিয়া, দক্ষিণ কোৰিয়া, জাপান আৰু ছিংগাপুৰলৈ আৰু শিৱসেনাৰ সাংসদ শ্ৰীকান্ত সিন্দেৰ নেতৃত্বত আন এটা দলে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ-ইউ এ ই, লাইবেৰিয়া, কংগো, আৰু ছিয়েৰা লিঅ'নলৈ যাত্ৰা কৰিছে। ভ্ৰমণকালত দল দুটাই সকলো ধৰণৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে নতুন দিল্লীৰ সংকল্পৰ বিষয়ে দেশ কেইখনক অৱগত কৰিব। এই দলকেইটাই সন্ত্ৰাসবাদৰ প্ৰতি ভাৰতৰ শূন্য সহনশীলনতাৰ বাৰ্তা বহন কৰিব আৰু অপাৰেছন সিন্দূৰৰ বিষয়ে জনাব।

ৰাওনা হোৱাৰ পূৰ্বে সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত সঞ্জয় ঝাই কয়, যে সন্ত্ৰাসবাদ পাকিস্তানৰ ৰাষ্ট্ৰ নীতিৰ অংশ আৰু তেওঁলোকে ইছলামাবাদ মহলে কিদৰে সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা কৰি আহিছে সেই বিষয়ে বিশ্বক অৱগত কৰিব। আমাৰ সংবাদদাতাই জনাইছে যে পাকিস্তানৰ কু-অভিসন্ধি আৰু ভাৰতৰ সফল সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ বিষয়ে আন্তৰাষ্ট্ৰীয় মহলক জনোৱাৰ উদ্দেশ্যে অলপতে ৭টা সৰ্বদলীয় প্ৰতিনিধি দল গঠন কৰা হৈছে। বৈজয়ন্ত পাণ্ডাৰ নেতৃত্বত গঠন কৰা প্ৰতিনিধি দলটো ছৌদি আৰৱ, বাহৰেইন, কুৱেইট আৰু আলজেৰিয়ালৈ যাব। একেদৰে বিজেপি সাংসদ ৰবিশংকৰ প্ৰসাদ নেতৃত্বাধীন দলটোৱে ব্ৰিটেইন, ফ্ৰান্স, জাৰ্মানী, ইউৰোপীয় সংঘৰ সদস্য ৰাষ্ট্ৰ, ইটালী আৰু ডেনমাৰ্ক ভ্ৰমণ কৰিব। কংগ্ৰেছ সাংসদ শশী থাৰুৰৰ নেতৃত্বৰ দলটোৱে আমেৰিকা যুক্তৰাষ্ট্ৰ, গায়েনা, পানামা, ব্ৰাজিল আৰু কলম্বিয়াক অপাৰেছন সিন্দূৰৰ বিষয়ে অৱগত কৰিব। ডি এম কে সাংসদ কানিমোঝি কৰুণানিধি নেতৃত্বাধীন প্ৰতিনিধি দলটো স্পেইন, গ্ৰীচ, শ্ল'ভেনিয়া, লাটভিয়া আৰু ৰাছিয়ালৈ আৰু এন চি পি সাংসদ সুপ্ৰিয়া সুলে নেতৃত্বাধীন সপ্তমটো প্ৰতিনিধি দলে ইজিপ্ত, কাটাৰ, ইথিঅ'পিয়া আৰু দক্ষিণ আফ্ৰিকালৈ যাব।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ. জয়শংকৰে কালি ডেনমাৰ্কৰ ৰাজধানী কোপেনহেগেনত দেশখনৰ উদ্যোগ, ব্যৱসায় আৰু বিত্তীয় পৰিক্ৰমা মন্ত্ৰী মৰ্টেন বোট'স্কোভক সাক্ষাৎ কৰে। তেওঁলোকে বিভিন্ন ক্ষেত্ৰত বৰ্তমানৰ সহযোগিতা অধিক গভীৰ কৰা আৰু নতুন সম্ভাৱনাৰ অন্বেষণৰ বিষয় লৈ আলোচনা কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে লগতে ডেনমাৰ্কৰ সংসদৰ অধ্যক্ষ ছোৰেন গাডেকো সাক্ষাৎ কৰে। ড° জয়শংকৰে সন্ত্ৰাসবাদক মযিমূৰ কৰাৰ বাবে ভাৰতৰ সৈতে প্ৰদৰ্শন কৰা একতাৰ বাবে ডেনমাৰ্কক সামাজিক মাধ্যম যোগে ভূয়সী প্ৰশংসা কৰে।

ooooo

ৰাছিয়াত ভাৰতৰ ৰাষ্ট্ৰদূত বিনয় কুমাৰে মস্কোত কৌশলগত যোগাযোগ বিষয়ক আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰ পূৰ্ণাংগ অধিৱেনত ভাষণ দিয়ে। ৰাষ্ট্ৰদূতগৰাকীয়ে কালি মানৱ সভ্যতাত যোগাযোগৰ ভূমিকা আৰু গুৰুত্ব তথা আধুনিক প্ৰযুক্তিয়ে যোগাযোগৰ ক্ষেত্ৰত কেনেধৰণৰ পৰিৱৰ্তন আনিছে সেই বিষয়ে আলোকপাত

কৰে। তেওঁ শেহতীয়াকৈ অনুষ্ঠিত ৱেভচ ২০২৫কে ধৰি বৰ্তমানৰ ডিজিটেল যুগত ভাৰতৰ যোগাযোগ উদ্যোগৰ বিষয়েও উল্লেখ কৰে। সন্মিলনখন জনসম্পৰ্ক পৰামৰ্শদাতা কোম্পানীৰ সংগঠনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয় আৰু ৰাছিয়াৰ অৰ্থনৈতিক উন্নয়ন মন্ত্ৰ্যালয় আৰু ৰাছিয়ৰ অৰ্থনৈতিক উন্নয়ন মন্ত্ৰ্যালয়ৰ সহযোগত অনুষ্ঠিত কৰিছে। ৰাষ্ট্ৰদূত শ্ৰীকুমাৰে দুয়োখন দেশৰ যোগাযোগ উদ্যোগৰ লগতে কৌশলগত যোগাযোগ পৰিৱেশ তন্ত্ৰৰ সৈতে জড়িত বিষয়ত সৃষ্টিৰ ক্ষেত্ৰত অধিক সহযোগিতাৰ পৰিসৰৰ বিষয়েও আলোচনা কৰে।

চলিত মাহৰ আৰম্ভণিতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুম্বাইত ভাৰতৰ প্ৰথমখন বিশ্ব দৃশ্য-শ্ৰব্য আৰু মনোৰঞ্জন সন্মিলিত ৱেভচ ২০২৫ মুকলি কৰে। সৃষ্টিশীলতা আৰু সংযোগৰ গোলকীয় মঞ্চত হিচাপে বিবেচিত চাৰিদিনীয়া এই সন্মিলনৰ লক্ষ্য আছিল ভাৰতক সংবাদ মাধ্যম মনোৰঞ্জনৰ তথা ডিজিটেল উদ্ভাৱণৰ প্ৰধান কেন্দ্ৰ হিচাপে গঢ়ি তোলা।

ooooo

গাজাত চলি থকা ইজৰাইলৰ আক্ৰমণত কালি ৭ গৰাকী মহিলা সহ কমেও ৮২ জন লোকে প্ৰাণ হেৰুৱায়। গাজাৰ স্বাস্থ্যা মন্ত্ৰ্যালয় আৰু স্থানীয় চিকিৎসালয়ৰ সূত্ৰই এই কথা প্ৰকাশ কৰিছে।

ইপিনে, ৰাষ্ট্ৰসংঘই মানৱীয় সাহায্য কৰ্তনৰ সমালোচনা কৰিছে আৰু এই সাহায্য পৰ্যাপ্ত নহয় বুলি মন্তব্য কৰিছে। পেলেষ্টানী শৰণাৰ্থীৰ বাবে থকা ৰাষ্ট্ৰসংঘৰ সাহায্য আৰু কৰ্ম সংস্থা ইউ এন আৰ ডব্লিউ এ- সীমান্তৰে আহ-যাহৰ পথ ততালিকে মুকলি কৰিবলৈ আৰু সাহায্য সামগ্ৰীৰ বাধাহীন যোগান সুনিশ্চিত কৰিবলৈ আহ্বান জনাইছে। সংস্থাটোৱে লগতে মানৱীয় সংস্থাসমূহক মুক্তভাৱে কাম কৰাত আৰু গাজাৰ জনসাধাৰণ বাবে চলোৱা গুৰুত্বপূৰ্ণ সাহায্য প্ৰচেষ্টাত বাধাৰ সৃষ্টি নকৰিবলৈ ইজৰাইৰলৰ প্ৰতি আহ্বান জনাইছে।

ooooo

জাৰ্মানীৰ চুহিত চলি থকা ISSF জুনিয়ৰ শ্বুটিং বিশ্বকাপ বিশ্বকাপত শ্বুটাৰ কনকে ভাৰতৰ হৈ প্ৰথমটো সোণৰ পদক অৰ্জন কৰিছে। যোৱা বছৰ লিমাত অনুষ্ঠিত জুনিয়ৰ বিশ্ব চেম্পিয়নশ্বিপত ৰূপৰ পদক বিজেতা কনকে মহিলাৰ ১০ মিটাৰ এয়াৰ পিষ্টল শিতানত ২৩৯ পইণ্টেৰে সোণৰ পদক দখল কৰে। কনকে দুবাৰৰ অলিম্পিয়ান ম'লডোভাৰ আন্না ডালাচক ১ দশমিক ৭ পইণ্টৰে ব্যৱধানত পৰাস্ত কৰে। চীনা টাইপেইৰ চেন যেন টিঙে এই শিতানত ব্ৰঞ্জৰ পদক লাভ কৰে। আন এগৰাকী ভাৰতীয় শ্বুটাৰ প্ৰাচীয়ে পঞ্চম স্থান অধিকাৰ কৰে।

ইয়াৰ পূৰ্বে ভাৰতৰ এড্ৰিয়ান কৰ্মকাৰ ৫০ মিটাৰ ৰাইফলৰ প্ৰ'ন শিতানত ৰূপৰ পদক অৰ্জন কৰে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে ডেলহি কেপিটেলছক ৫৯ ৰানত পৰাস্ত কৰি প্লে অফ পৰ্যায়ত প্ৰৱেশ কৰা চতুৰ্থ তথা অন্তিমটো দল ৰূপে পৰিগণিত হয়। ইয়াৰ বিপৰীতে আই পি এলৰ এইবাৰৰ সংস্কৰণত ডেলহি কেপিটেলছৰ যাত্ৰাৰ সামৰণি পৰে।

খেলখনত মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেটৰ বিনিময়ত ১৮০ ৰান কৰে। মুম্বাইৰ হৈ সূৰ্য কুমাৰ যাদৱে ৪৩টা বলত ৭৩ ৰান কৰি আউট নোহোৱাকৈ থাকে। দিল্লীৰ মুকেশ কুমাৰে দুটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ডেলহি দলে ১৮ অভাৰ

আৰু দুটা বল খেলি ১২১ ৰানহে কৰিবলৈ সমৰ্থ হয়। ডেলহিৰ হৈ সমীৰ ৰিজিৰিয়ে সৰ্বাধিক ৩৯ ৰান কৰে। মুম্বাইৰ হৈ মিছেল ছেণ্টনাৰ আৰু যশপ্ৰীত বুমৰাই তিনিটাকৈ উইকেট দখল কৰে। সূৰ্য কুমাৰ যাদৱক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ লক্ষ্নৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

ভাৰতৰ আকাংক্ষা চালুংকেই আয়াৰলেণ্ডৰ ডাবলিনত অনুষ্ঠিত আইৰিছ অপেন স্কোৱাছ প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। খেলুৱৈগৰাকীয়ে যোৱানিশা প্ৰি-কোৱাৰ্টাৰ ফাইনেলত ফ্ৰান্সৰ অষ্টম বাছনিপ্ৰাপ্ত এনোৰা ভিলাৰ্ডক ১১-৯, ১১-৯, ১১-৯ ফলাফলত পৰাস্ত কৰে। আকাংক্ষা আজি কোৱাৰ্টাৰ ফাইনেলত নৰোৱেৰ মেডেলিন হাইলেণ্ডৰ সন্মুখীন হ'ব। খেলখন নিশা ১১ বজাত আৰম্ভ হ'ব।

ooooo

**সমাপ্ত**